জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩১/২০২০

## খেলো ইণ্ডিয়া য়ুথ গেমছ সফলতাৰে অনুষ্ঠিত কৰাৰ বাবে অসমবাসীক প্ৰশংসা প্ৰধানমন্ত্ৰীৰ

## প্ৰধানমন্ত্ৰীক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৭ জানুৱাৰী ঃ** গুৱাহাটীত যোৱা ১০ ৰ পৰা ২২ জানুৱাৰীলৈ অনুষ্ঠিত হোৱা খেলো ইণ্ডিয়া য়ুথগেমছ ২০২০ ৰ সফল আয়োজনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অসমৰ জনসাধাৰণ আৰু ৰাজ্য চৰকাৰক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছে। দেওবাৰে অনাতাৰ যোগে সম্প্ৰচাৰিত 'মন কি বাত' অনুষ্ঠানৰ জৰিয়তে প্ৰধানমন্ত্ৰীয়ে এই ধন্যবাদ জ্ঞাপন কৰে।

আজি এক বিবৃতিযোগে মুখ্যমন্ত্ৰী সোণোৱালে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আন্তৰিক সহযোগিতাৰ বাবে তৃতীয় খেল ইণ্ডিয়া যুথ গেমছ সফলতাৰে গুৱাহাটীত অনুষ্ঠিত হয়। মুখ্যমন্ত্ৰীয়ে এই প্ৰতিযোগিতাখন গুৱাহাটীত অনুষ্ঠিত হোৱাৰ দিশত কেন্দ্ৰীয় চৰকাৰে আগবঢ়োৱা সহযোগিতা তথা প্ৰধানমন্ত্ৰীয়ে এই ক্ষেত্ৰত লোৱা সক্ৰিয় পদক্ষেপৰ বাবে প্ৰধানমন্ত্ৰীক আন্তৰিক ধন্যবাদ জ্ঞাপন কৰে। কেন্দ্ৰীয় যুৱ কল্যাণ আৰু ক্ৰীড়া দপ্তৰৰ ৰাজ্যিক স্বতন্ত্ৰ মন্ত্ৰী কিৰেন ৰিজিজু, ইণ্ডিয়ান অলিম্পিক এছ'ছিয়েশ্যন, অসম অলিম্পিক এছোচিয়েশ্যন, বিভিন্ন ফেডাৰেশ্যন, বিভিন্ন ক্ৰীড়া সংগঠন, চৰকাৰী বিষয়া-কৰ্মচাৰী,খেলুৱৈ,কৰ্মকৰ্তা বিশেষকৈ অসমৰ জনসাধাৰণ তথা গুৱাহাটীবাসী ৰাইজৰ সহযোগিতাৰ বাবে খেলো ইণ্ডিয়া য়ুথ গেমছৰ সফল আয়োজন সম্ভৱ হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ইয়াৰ বাবে সংশ্লিষ্ট সকলোকে ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে এই প্ৰতিযোগিতাই গুৱাহাটীক দেশৰ ক্ৰীড়াৰ ৰাজধানী হিচাপে গঢ় লৈ উঠাৰ ক্ষেত্ৰত ইতিবাচক প্ৰভাৱ পেলাব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে এই প্ৰতিযোগিতাখনৰ জৰিয়তে আমাৰ যুৱ প্ৰজন্মৰ খেলুৱৈ সকল অধিক উৎসাহিত হৈ পৰিছে আৰু দেশৰ ক্ৰীড়াঙ্গনত সুকীয়া চাপ পেলাবলৈ প্ৰেৰণা লাভ কৰিছে।

**পুঃডেঃ / বীঃগঃ / বঃভাঃ**
**২৭/০১/২০২০**